**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-06-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। দুদিনীয়া কানাডা ভ্ৰমণৰ কাৰ্যসূচী লৈ আজি পুৱা কেলগেৰীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা কানাডাৰ কানানাস্কিছত হ'বলগীয়া জি-ছেভেন সন্মিলনত অংশগ্ৰহণ কৰিব।

২। মধ্যপ্ৰাচ্যত অব্যাহত থকা উত্তেজনাৰ মাজতে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলে ইজৰাইল আৰু ইৰানৰ মাজৰ পৰিস্থিতি সন্দৰ্ভত এটা যৌথ বিবৃতি প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে আজি অসমৰ শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰৰ এটা ৰীগত হৈ থকা গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে চলাই থকা প্ৰচেষ্টাৰ বুজ লয়।

৪। আহমেদাবাদৰ বিমান দুৰ্ঘটনাত নিহত ১২৫ জন লোকৰ মৃতদেহ ডি এন এ পৰীক্ষাৰ জৰিয়তে চিনাক্ত কৰা হৈছে। ***আৰু***

৫। মহিলাৰ এফ আই এইচ হকী প্ৰ-লীগ প্ৰতিযোগিতাত ভাৰত আজি আৰু কাইলৈ লণ্ডনৰ লি ভেলী হকী আৰু টেনিছ কেন্দ্ৰত আৰ্জেণ্টিনাৰ মুখামুখি হ'ব।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নিশা কানাডাৰ কানানাস্কিছত হ'বলগীয়া জি-ছেভেন সন্মিলনত অংশগ্ৰহণ কৰিব। শ্ৰী মোদীয়ে আজি পুৱা দুদিনীয়া কানাডা ভ্ৰমণৰ কাৰ্যসূচীলৈ কেলগেৰীত উপস্থিত হয়। প্ৰধানমন্ত্ৰীয়ে পৰিৱৰ্তিত বিশ্বত শক্তি সুৰক্ষা, প্ৰযুক্তি, আন্তঃগাঁথনি আৰু বিনিয়োগ সন্দৰ্ভত জি-ছেভেন সন্মিলনত হ'বলগীয়া আলোচনাত ভাগ ল'ব। এয়া হ'ব প্ৰধানমন্ত্ৰীগৰাকীৰ জি-ছেভেন সন্মিলনত একেৰাহে ষষ্ঠবাৰৰ বাবে অংশগ্ৰহণ। সন্মিলনৰ মাজতে প্ৰধানমন্ত্ৰী মোদীয়ে জি-ছেভেন সদস্যভুক্ত দেশসমূহৰ নেতৃবৰ্গৰ উপৰি আমন্ত্ৰিত দেশ আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠনসমূহৰ মুৰব্বীসকলৰ সৈতে বিভিন্ন গোলকীয় বিষয়ত মত বিনিময় কৰিব। তেওঁ কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিৰ সৈতেও আলোচনাত বহিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি বিগত এক দশকত এয়া হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰথম কানাডা ভ্ৰমণ। তেওঁ ইয়াৰ পূৰ্বে ২০১৫ চনত কানাডালৈ গৈছিল। দেশখনত বহু সংখ্যক ভাৰতীয় ছাত্ৰ আছে। ভাৰত আৰু কানাডাৰ মাজত বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱনী ক্ষেত্ৰত সহযোগিতাৰ বিশাল সম্ভাৱনা আছে। কানাডা হৈছে ভাৰতীয় মূলৰ লোকৰ অন্যতম বৃহৎ দেশ। তথ্য অনুসৰি দেশখনৰ মুঠ জনসংখ্যাৰ প্ৰায় চাৰি দশমিক ৫ শতাংশই হৈছে ভাৰতীয়।

000000000

মধ্যপ্ৰাচ্যত অব্যাহত থকা উত্তেজনাৰ মাজতে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলে ইজৰাইল আৰু ইৰানৰ মাজৰ পৰিস্থিতি সন্দৰ্ভত এটা যৌথ বিবৃতি প্ৰকাশ কৰিছে। জি-ছেভেন নেতৃবৰ্গই মধ্যপ্ৰাচ্যত শান্তি আৰু স্থিৰতা

বৰ্তাই ৰাখিবলৈ তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰি কয়, যে আত্মৰক্ষাৰ বাবে ইজৰাইলৰ অধিকাৰ আছে। দেশখনৰ সুৰক্ষা নিশ্চিত হোৱাৰ ক্ষেত্ৰত থকা সমৰ্থনৰ বিষয়েও জি-ছেভেন নেতৃবৰ্গই প্ৰকাশ কৰে।

যৌথ বিবৃতিটোত ৰাষ্ট্ৰগোষ্ঠীটোৱে আঞ্চলিক সংঘাতৰ সময়ত সাধাৰণ লোকৰ সুৰক্ষা নিশ্চিত হোৱাত গুৰুত্ব দিয়ে। ৰাষ্ট্ৰগোষ্ঠীটোৱে ইৰানক অঞ্চলটোত অস্থিৰতা আৰু সন্ত্ৰাসবাদৰ প্ৰধান উৎস হিচাপে চিহ্নিত কৰে। নিজৰ দীৰ্ঘদিনীয়া স্থিতি দোহাৰি জি-ছেভেনৰ অন্তৰ্ভুক্ত দেশসমূহৰ নেতাসকলে কয়, যে ইৰানক পাৰমাণৱিক অস্ত্ৰ আহৰণৰ বাবে কেতিয়াও অনুমতি দিয়া নহ'ব। তেওঁলোকে লগতে আশা প্ৰকাশ কৰে যে, ইৰানকেন্দ্ৰিক সংকটৰ সমাধানে গাজাৰ যুদ্ধ বিৰতিকে ধৰি মধ্যপ্ৰাচ্যৰ সীমান্ত উত্তেজনাৰ ঘটনাসমূহ হ্ৰাস কৰিব। নেতাসকলে লগতে আন্তঃৰাষ্ট্ৰীয় শক্তিৰ বজাৰখনক আঞ্চলিক অস্থিৰতাৰ প্ৰভাৱৰ পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰত সমভাবাপন্ন অংশীদাৰৰ সৈতে সহযোগিতাৰে কাম কৰাৰ বাবে সাজু বুলিও ঘোষণা কৰে।

০০০০০০০০০

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে আজি অসমৰ শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰৰ অধীনৰ ১৪৭ নম্বৰ ৰীগত বিগত কেইবাদিনো ধৰি হৈ থকা গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে তেল আৰু প্ৰাকৃতিক গেছ নিগমে চলাই থকা প্ৰচেষ্টাৰ বুজ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ বিভিন্ন কেন্দ্ৰৰ পৰা বিশেষজ্ঞ লোকসকলক অনা হৈছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে উচ্চ ক্ষমতা সম্পন্ন পাম্প ব্যৱহাৰ কৰা হৈছে। তেওঁ লগতে কয়, যে অ' এন জি চিৰ বিষয়াসকল আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞসকলৰ সৈতে নিৰন্তৰ যোগাযোগত আছে। অঞ্চলটোত জুই ৰোধ কৰা আৰু পৰিৱেশ শীতল কৰি ৰখাৰ বাবে অহৰহ পাম্পেৰে পানীৰ এটা আৱৰণ সৃষ্টি কৰা হৈছে। ৰীগটোৰ কাষৰীয়া অঞ্চলত বাস কৰা লোকসকলক স্থানান্তৰিত কৰা হৈছে আৰু তেওঁলোকক সকলো ধৰণৰ সাহায্য প্ৰদান কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰীগত হোৱা গেছ নিৰ্গমন থলীত যোৱা নিশা উপস্থিত হৈ আশ্ৰয় শিবিৰত থকা লোকসকলক সাক্ষাৎ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে তেলৰ ৰীগটো পৰিচালনা কৰা ব্যক্তিগত খণ্ডৰ এছ কে পেট্ৰ' নামৰ প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে তদন্ত কৰা হ'ব বুলি জানিবলৈ দিয়ে। ৰাজ্য চৰকাৰে এই বিষয়টোত গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয়, যে প্ৰয়োজন সাপেক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতেও এই সন্দৰ্ভত আলোচনা কৰা হ'ব। তৈল প্ৰতিষ্ঠানটোৰ অধ্যক্ষৰ সৈতেও মুখ্যমন্ত্ৰীয়ে আলোচনা কৰিব বুলি উল্লেখ কৰে।

০০০০০০০০০

ইৰানত থকা ভাৰতীয় দূতাবাসে কৰা ব্যৱস্থাৰ অধীনত তেহৰানৰ ভাৰতীয় শিক্ষাৰ্থীসকল মহানগৰখনৰ বাহিৰলৈ আহিবলৈ সমৰ্থ হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা বিবৃতিত উল্লেখ কৰা অনুসৰি মহানগৰখনত থকা অন্যান্য ভাৰতীয় লোকসকলকো নিজাববীয়া ব্যৱস্থাৰে সুৰক্ষিত স্থানলৈ ওলাই আহিবলৈ উপদেশ দিয়া হৈছে। একাংশ ভাৰতীয়ক আৰ্মেনিয়াৰ সীমান্তৰে ইৰান ত্যাগ কৰিবলৈ ব্যৱস্থা কৰি দিয়া হৈছে। ইজৰাইল-ইৰান সংঘাটৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় দূতাবাসে ইৰানত থকা ভাৰতীয় সকলৰ সৈতে নিৰন্তৰ যোগাযোগ ৰাখিছে।

০০০০০০০০০

যোৱা নিশালৈকে আহমেদাবাদৰ বিমান দুৰ্ঘটনাত নিহত ১২৫ গৰাকী লোকৰ মৃতদেহ ডি এন এ পৰীক্ষাৰ জৰিয়তে চিনাক্ত কৰা হৈছে। ইয়াৰে ৮৩টা মৃতদেহ ইতিমধ্যে পৰিয়ালক গতাই দিয়া হৈছে। গুজৰাটৰ স্বাস্থ্যমন্ত্ৰী ৰুশিকেশ পেটেলে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই বিষয়ে প্ৰকাশ কৰি কয় যে যাৱতীয় প্ৰক্ৰিয়া আৰু চিনাক্তকৰণৰ প্ৰয়োজনীয় বিধি সম্পূৰ্ণ হোৱাৰ পাছতে বাকী থকা মৃতদেহসমূহো পৰিয়ালৰ সদস্যক গতাই দিয়া হ'ব।

ৰাজ্য চৰকাৰে কেন্দ্ৰীয় সংস্থাসমূহৰ সহযোগত ফৰেনছিক আৰু আইনী আনুষ্ঠানিকতা ক্ষিপ্ৰতাৰে সম্পন্ন কৰাটো নিশ্চিত কৰা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ইপিনে, বিমান দুৰ্ঘটনাটোত নিহত প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীৰ অন্ত্যেষ্টিক্ৰিয়া কালি সন্ধিয়া ৰাজকোটত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়।

ooooooooo

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি হাৰিয়ানাৰ মানেছৰত দেশৰ সৰ্ববৃহৎ গতিশক্তি মাল্টিমডেল কাৰ্গো টাৰ্মিনেল উদ্বোধন কৰে। শ্ৰী বৈষ্ণৱে তেওঁৰ ভাষণত কয়, যে ৪৫ একৰ এলেকা জুৰি থকা এই কাৰ্গো টাৰ্মিনেলত চাৰি লাখ ৫০ হাজাৰ যানবাহন ৰাখিব পৰা ক্ষমতা আছে। তেওঁ কয়, যে দেশত মুঠ ১০৮ টা মাল্টি মডেল কাৰ্গো টাৰ্মিনেল সম্প্ৰতি সাজু হৈ উঠিছে আৰু শীঘ্ৰেই ইয়াৰ সেৱা মুকলি হ'ব। তেওঁ লগতে কয়, যে চৰকাৰে ২০২১ চনত এই প্ৰক্ৰিয়া সলনিকৰণৰ বাবে গ্ৰহণ কৰা কেতবোৰ সংস্কাৰমূলক ব্যৱস্থাৰ বাবে কম সময়ৰ ভিতৰতে এই সাফল্য লাভ কৰিব পৰা গৈছে।

শ্ৰী বৈষ্ণৱে ৰে'ল সেৱাৰ উন্নীতকৰণৰ দিশত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহতো আলোকপাত কৰে। তেওঁ কয়, যে বিগত বৰ্ষতো ভাৰতীয় ৰে'লৱেৰ বাবে অতি গুৰুত্বপূৰ্ণ আছিল কাৰণ এই বৰ্ষটোত ৭২০ কোটি যাত্ৰীয়ে ৰে'লেৰে ভ্ৰমণ কৰাৰ উপৰি এহেজাৰ ৬০০ মিলিয়ন টনৰো অধিক সামগ্ৰী কঢ়িওৱা হৈছিল।

ooooooooo

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই একপক্ষীয় বলপূৰ্বক ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবছৰৰ ৪ ডিচেম্বৰত আন্তঃৰাষ্ট্ৰীয় দিৱস পালনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই প্ৰস্তাৱৰ সমৰ্থনত ১১৬ দেশে ভোটদান কৰাৰ বিপৰীতে ৫১ খন দেশে ইয়াৰ বিৰুদ্ধে ভোটদান কৰে আৰু ছখন দেশ ভোটদানৰ পৰা বিৰত থাকে। ইউৰোপীয় সংঘ অষ্ট্ৰেলিয়া, ব্ৰিটেইন, কানাডা, জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰকে ধৰি উন্নত অৰ্থনীতিৰ দেশসমূহে এই প্ৰস্তাৱৰ বিৰুদ্ধে ভোটদান কৰে। এই প্ৰস্তাৱৰ জৰিয়তে সকলো ৰাষ্ট্ৰক আন্তঃৰাষ্ট্ৰীয় আইন বা ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰ উলংঘা কৰা একপক্ষীয় অৰ্থনৈতিক, বিত্তীয়, অথবা বাণিজ্য সম্পৰ্কীয় ব্যৱস্থাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনোৱা হৈছে। এনে কাৰ্যই বিশেষকৈ উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ অৰ্থনৈতিক আৰু সামাজিক বিকাশত বাধা প্ৰদান কৰে বুলি ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই উল্লেখ কৰে। এই প্ৰস্তাৱৰ জৰিয়তে একপক্ষীয় বলপূৰ্বক ব্যৱস্থাৰ ক্ষতিকাৰক প্ৰভাৱসমূহৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় সজাগতা সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

ooooooooo

ভাৰতীয় মূলৰ লোকসকলৰ বাবে ক্ৰয়েছিয়া নতুন ঠিকনা হিচাপে পৰিগণিত হৈছে। ইউৰোপৰ দেশখনত তুলনামূলকভাৱে ভাৰতীয় লোকৰ সংখ্যা কম যদিও সাংস্কৃতিক ক্ষেত্ৰত তেওঁলোক অত্যন্ত সক্ৰিয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ ক্ৰৱেছিয়াৰ ৰাজধানী জাগ্ৰেবত উপস্থিত হ'ব। এয়া হ'ব ভাৰতৰ কোনো এগৰাকী প্ৰধানমন্ত্ৰীৰ প্ৰথম ক্ৰয়েছিয়া ভ্ৰমণ। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ বাবে দেশখনত থকা ভাৰতীয়সকলৰ উপৰি জাগ্ৰেবৰ ভাৰতৰ বন্ধুভাবাপন্ন লোকসকলে আন্তৰিকতাৰে অপেক্ষা কৰি আছে। জাগ্ৰেবত থকা ভাৰতীয় তথ্য প্ৰযুক্তি বিষয়া সম্ৰাটে আকাশবাণীক কয়, যে সৰু সৰু দেশসমূহতো ভাৰতৰ প্ৰভাৱ বৃদ্ধিয়ে তেওঁক আনন্দিত কৰিছে। জাগ্ৰেবৰ এখন ৰেস্তোৰাত কাম কৰি থকা অভিষেক চৌহানে দুয়োখন দেশৰ মাজৰ সম্পৰ্কক প্ৰধানমন্ত্ৰীৰ ভ্ৰমণে অধিক গভীৰ কৰিব বুলি আশা প্ৰকাশ কৰি কয়, যে এই ভ্ৰমণে বহু ভাৰতীয়ক ক্ৰয়েছিয়ালৈ আহিবলৈ পথ মুকলি কৰিব।

ooooooooo

মহিলাৰ এফ আই এইচ হকী প্ৰ-লীগ প্ৰতিযোগিতাত ভাৰত আজি আৰু কাইলৈ লণ্ডনৰ লি ভেলী হকী আৰু টেনিছ কেন্দ্ৰত আৰ্জেণ্টিনাৰ মুখামুখি হ'ব। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত ভাৰতীয় দলটোৱে বিশ্বক্ৰমৰ দ্বিতীয় স্থানৰ আৰ্জেণ্টিনাৰ বিৰুদ্ধে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনৰ প্ৰয়াস চলাব। প্ৰতিযোগিতাত এইপৰ্যন্ত ভাৰতে মুঠ ৯ পইণ্ট অৰ্জন কৰি পইণ্ট তালিকাৰ সপ্তম স্থানত আছে। ইপিনে আৰ্জেণ্টিনা সম্প্ৰতি পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে।

ooooooooo

সমাপ্ত